গুণাৰাম শইকীয়া

# হালধিৰঙা আবেলি

(২০২১ বৰ্ষৰ কাব্যম-বঁটা প্ৰাপ্ত)



২০২১ বৰ্ষৰ কাব্যম-বঁটাপ্ৰাপ্ত

# হালধীবটা আবেলি

গুণাৰাম শইকীয়া

কাব্যয প্ৰকাশ

মুখ্য কাৰ্যালয় ঃ মায়ং, মৰিগাঁও

কেন্দ্ৰীয় কাৰ্যালয় ঃ লামডিং, হোজাই

**HALODHI-BOTA ABELI :** A collection of some assamese poems written by Gunaram Saikia, Published by Pradip Ch. Sarmah on behalf of Kabyam Prakash & Printed at Kabyam Printers, Guwahati.
**First Edition :** December 2021.
**Price :** 140.00 only

---




# হালধিবটা আবেলি

গুণাৰাম শইকীয়া

ভ্ৰাম্য ঃ ৬০০০৮৫৪৮৬০

প্ৰকাশক ঃ কাব্যম প্ৰকাশৰ হৈ প্ৰদীপ চন্দ্ৰ শৰ্মা

প্ৰকাশ কাল ঃ ডিচেম্বৰ, ২০২১

গ্ৰন্থস্বত্ব ঃ কবিৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত

প্ৰচ্ছদ ঃ নীলাভ সৌৰভ

অংগসজ্জা ঃ হেমেন নাথ

ডিটিপি ঃ প্ৰণৱ প্ৰতিম নাথ

অবিহণা ঃ ১৪০.০০ টকা মাত্ৰ

মুদ্ৰক ঃ কাব্যম প্ৰিন্টাৰ্ছ, গুৱাহাটী।

# আত্মকথা

সৰ্বত্ৰ প্ৰকাশমান যুদ্ধ এখনৰ দৰে নিজৰ ভিতৰতো যুঁজ এখন চলি থাকে। সেই যুঁজত প্ৰায়ে হাৰি যাওঁ আৰু জিকি যোৱাৰ দিনা দুই-তিনিটা পোহৰৰ শব্দ লিখো। তেনে এখন বোধৰ যুদ্ধত পৰাজিত হৈ প্ৰায় দহ বছৰ নিৰ্বাসিত হৈ আছিল হাতৰ দ্যোতনা। সময়ৰ নিৰ্মমতাক কালৰ যুঁজ বুলি যিমান পাৰি পিছ পেলাই উজাই আহিছিলো। শেষত এইখন চিনাকি নৈৰ উপলা ঘাটত মোৰ অহীৰৰ বাঁহী বাজি উঠিছিল পুনশ্চ। সময়ে দেখুৱাই দিয়া বোধৰ শব্দৰে প্ৰস্তুত কৰি আছো নিজকে। মানুহ, প্ৰেম, শুভাশিস, সমাজ, নিৰ্মমতা, উদাসীনতা, অসহনীয়তা আৰু উদিগ্নময় চেতনাপুঞ্জৰ সৈতে যুঁজ কৰো এতিয়াও। এই কঠিনতম অনুসৃতিত সৃষ্ট পৰিশীলিত শব্দগুচ্ছই কবিতাৰ আকাৰ লয় কেতিয়াবা। তাৰে মাজৰ প্ৰকাশিত-অপ্ৰকাশিত কিছু কবিতাৰে 'হালধি-বটা আবেলি'ৰ পাণ্ডুলিপিটো প্ৰস্তুত কৰি 'অসম কাব্য কানন'ৰ প্ৰতিযোগিতালৈ প্ৰেৰণ কৰিছিলো। সময়ত 'কাব্যম বঁটা'ৰ বাবে নিৰ্বাচিত কৰি মোক কৃপাধন্য কৰাৰ লগতে 'হালধি-বটা আবেলি'ক ৰাইজৰ মাজত তুলি ধৰাৰ এই মহান প্ৰয়াসৰ বাবে 'অসম কাব্য কানন' তথা তাৰ গুৰি ধৰোঁতা নৱ ৰাজনৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'লো। অত্যন্ত ব্যস্ততাৰ মাজতো অলপ সময় উলিয়াই অতি কম সময়ৰ ভিতৰতে কবিতাসমূহৰ বিশেষকৈ বানানবোৰত অলপ চকু ফুৰাই দিয়াৰ বাবে বিজয় বেজবৰুৱাৰ শলাগ ল'লো।

শেষত পাঠক সমাজৰ ওচৰত অজানিত ভুল-ত্ৰুটিৰ বাবে ক্ষমাপ্ৰাৰ্থী হৈ ৰ'লো।

গুণাৰাম শইকীয়া

জোনাকীবন

মাজবাট

# সূচীপত্ৰ


| | |
|---|---|
| ☞উঁই | ঃ ০৭ |
| ☞অথিৰ | ঃ ০৮ |
| ☞ঋদ্ধ সময় | ঃ ০৯ |
| ☞শব্দ-শস্য | ঃ ১০ |
| ☞মোৰ দেশ মোৰ কথা | ঃ ১১ |
| ☞আই | ঃ ১২ |
| ☞হৃদয়ৰ দুৱাৰ | ঃ ১৩ |
| ☞দেও | ঃ ১৪ |
| ☞মাটি জীৱনৰ মূলাধাৰ | ঃ ১৫ |
| ☞পানী-ঘোযা | ঃ ১৬ |
| ☞জীৱন | ঃ ১৭ |
| ☞প্ৰেম-পৰ্বান্তৰ | ঃ ১৮ |
| ☞নৈৰ কথাৰে | ঃ ১৯ |
| ☞ভাত | ঃ ২০ |
| ☞আত্মকথন | ঃ ২১ |
| ☞কথকতাৰ অদৃশ্য ক'লাজ | ঃ ২২ |
| ☞মোৰ পৃথিৱী | ঃ ২৩ |
| ☞কবিতা | ঃ ২৪ |
| ☞দুকুলিয়া ভাঁজৰ জীৱন | ঃ ২৫ |
| ☞সন্ধিয়াৰ মালিতা | ঃ ২৬ |
| ☞উৰণীয়া ববযুণ | ঃ ২৭ |
| ☞শব্দ-শঙ্খ | ঃ ২৮ |
| ☞ৰত্নাৱলী পঢ় | ঃ ২৯ |
| ☞কথা বাঁহী | ঃ ৩০ |
| ☞কাব্যলিংগ | ঃ ৩১ |
| ☞ভ্ৰম নে মায়াৰ জীৱন | ঃ ৩২ |
| ☞কাৰোবে প্ৰিয় হ'ব নোৱাৰিলো | ঃ ৩৩ |
| ☞চেকনি | ঃ ৩৪ |
| ☞নাহৰ | ঃ ৩৫ |
| ☞হালধি-বটা আবেলি | ঃ ৩৬ |

# উঁই

জেওৰাৰ জৰীপে ঘেৰি থোৱা এধানি মাটি— তাতে লাইপুলি বাঢ়িছে
নেমু ফুলিছে,
হাটৰ বেহেৰুৱাটোৱে ক'লে— পুলিৰ গুৰিত চূণ-চাধাকে দিবা
কীটঘ্নতকৈও চাব
জুহালৰ ছাই ছটিয়াই খেদিব পাৰিবা মাটিৰ অপায়-অপদেৱতা

সুহৃদৰ জেপৰ পুৰাণ শুনি শুনি জগতৰ কথা গণিছো
আগচোতালৰ ধূলি-বালিৰ সপোন পূৰঠ হৈ
যেনি-তেনি উৰি যোৱাৰ কথা ভাবি ভাবি নখে মাটি লেখিছো

বিশ্বাসৰ আঙুলিত ধৰি খুপি খুপি আগুৱাইছো পুৰণি বাটেৰে
কঠনা ফুলৰ পানীৰে বৰআইৰ পানীজোলা পখালিছো
মৰ আঁউসীত নাকাটি জোনাকতে কাটিছিলো বাৰীৰ ঢাপৰ বাঁহ
তথাপি জেওৰাৰ বুকুৰেদি কুৰুকি কুৰুকি
উঁই এজাক সোমাইছে

পিঠিতকৈ কোমল বাবেই বুকুৰ বলুকাত উঁয়ে নিজাকৈ গাঁও এখন পাতিছে
এখনৰ পাছত আন এখন বিধ্বস্ত-বিধুৰ বুকু
কামিহাড়ৰ ভিতৰলৈকে উঁইৰ দাঁতৰ কেঁচা কুট্‌কুটনি...◆

# অথিৰ

অথিৰ বুলি জানিও থিৰ হৈ পোনাব খোজো কাঁড়
ভ্ৰমতে বাৰে বাৰে সোমাই পৰো মায়াবৃত্তৰ চাকনৈয়াত
ধাৰাল পকনীয়া ঠেলি পাকঘূৰণি খাই ওলাই আহো
একেই উশাহ মাটি-পানী-গছ
জেদ কৰি নিশ্বাসেৰে ওলাই আহে চঞ্চল-চিত্তৰ মাৰপঁহা গান

বাৰেপতি পোনাব খোজো পানীপোতাৰ খুঁটা
সিমানে হালি গৈ আছে পানীৰ দিশে
নিজক যিমানে ধৰি ৰাখিব খুজিছো দেওলগা ঘোঁৰাটোৰ দৰে ছট্‌ফটাই উঠিছে

গেজেপনিত লুকাই থকা দেওড়ঁৰিকৰ চঞ্চলতাতকৈ
কোনোগুণে কম নহয় এই জীৱন
স্মৃতিৰ কেনভাছ্ আৰু ফুলৰ তোৰা কঢ়িয়াই ফুৰা এই হাত
মাথোঁ অস্থিৰতাৰ ক্ষণিক সমষ্টি

দিন-দুপৰতে পৰুৱাই পোৱা বাটৰুৱাটোৰ দৰে
পুনৰায় উভতি আহো— যি ঠাইৰ পৰা থিৰ হৈ পোনাইছিলো খোজ
অথিৰ এই জীৱন, চাতকৰ দৰে উৰি ফুৰে
জাৰকালিৰ বৰষুণ বিচাৰি।◆

# ঋদ্ধ সময়

যিবোৰ কথাই প্ৰতিপলে ঋদ্ধ কৰি ৰাখে নিজকে
দকৈ ভাবি চোৱা নহয় সুখৰ সেই সময়কণক
সেয়ে হয়তো এদিন ঘৰ শূন্য কৰি কাৰকবোৰে খোজ দিয়ে সময়ৰ শতৰঞ্চিৰে

প্ৰিয় গধূলিটোকো যেতিয়া শূন্যতাৰ আৱেশে কুটি কুটি খাব ধৰে
তেতিয়া থাউনি নোহোৱা মনে আকাশক প্ৰাৰ্থনা কৰে
দুঘটিৰ জোনটোকে দিয়া
তোমাৰ আওতাৰ ভিতৰৰ তৰাবোৰকো দিয়া

দুঘটিৰ জোনটোকনো দিয়ে কেনেকৈ আকাশৰ বুকুৰ এচিৰা
তৰাবোৰো ৰিং নুশুনা দূৰণিৰ
আকাশে সাঁচি ৰাখে সোণ সঁচাদি আকালৰ পোহৰ
বিমুখ হৈ উভতি আহে মোৰ বিনীত প্ৰাৰ্থনা

তেনে সময়ত উকা গধূলিটোক আবদাৰ কৰেহি মাথোঁ জোনাকী পৰুৱাই
নিজৰ পোহৰেৰে নখৰ জোন লেখি লেখি
সমৃদ্ধ কৰে সময়ক আৰু উতলাই পেলায়
মনৰ তাপিত মায়াক

চনকা চনকে খহি পৰা স্মৃতিৰ তোৰণখনক কিছু সময়ৰ বাবে সাজি লওঁ বুলি
নিজানত বহো, তাতো আহি আমনি কৰে শূন্যতাই
নক্সা কাটি থোৱা স্মৃতিকাতৰ শিলবোৰতো এতিয়া সেই উত্তাপ নাই
যি উত্তাপৰ বাবে এদিন স্বাধীনতা বিচাৰি আছিল তাপিত হৃদয়ে

সেই ঋদ্ধ সময় এতিয়া নাই
দকৈ ভাবি চোৱাবো অৱকাশ নাই— ক'ত থিয় দি আছো
মাটিত নে পানীগছাৰ পিঠিত।◆

# শব্দ-শস্য

অনবৰতে পিতাইৰ কথাবোৰ পাগুলিয়াই থাকিবলৈ আই নাই
আইলৈ মনত পৰিলে জুপুকা লাগি কাষত বহি থাকিবলৈ
পিতায়ো নাই

দুয়োটাই ধোঁৱা হৈ উৰি গুচি যোৱা বাটটোতে বহি আপোন শব্দ বিচাৰি বিচাৰি
হাবাথুৰি খাওঁ
কোলাহল ভাল নোপোৱা আৰেগবোৰক বৰযুণত মেলি দি বাট চাওঁ
পানীপোতাত জীয়ন দিয়া
পোনামাছৰ দৰে জী আছেনে মৰি যোৱা শব্দবোৰ

জগতৰ সকলো শব্দৰ মাজত প্ৰিয় সেই শব্দ
অথচ বিবৰ্ণ, শেঁতা আৰু চেঁচুক পৰা
মজিয়াখনিত শুৱাই দি আয়ে বিৰ্‌বিৰাইছিল— 'শো বাছা শো'
আৰু টৌপনিক সাবটি লৈছিলো
যি টৌপনিয়ে উজাগৰে ছট্‌ফটাই আছিল যুঁজাৰু ঘোঁৰাৰ চকুত

তীক্ষ্ণধী ঘোঁৰা এটাত উঠি সেই শব্দ মই কদাপি বিচৰা নাছিলো
মোৰ আপোন শব্দ জী আছে তেওঁৰ চকুত
যিয়ে কপালৰ ঘাম মাটিত মচি এসাঁজ-এমুঠিৰে যাপন কৰে সুখৰ ৰাতি।◆

# মোৰ দেশ মোৰ কথা

মোৰ দেশ মোৰ কথা একান্ত ব্যক্তিগত বাবে সেইসকলৰ সৈতে
ভাগ-বতৰা নকৰো
মোৰ দেশৰ স্তুতি শ্ৰুতিক কেৱল এটা গান বুলি ভাবি থকাসকলৰ শুভদিন আহক
সিদিনা বুজিম নাইবা একেলগে প্ৰাৰ্থনাগৃহত নিৰ্গুণ ঈশ্বৰৰ নামত
দিয়া-লোৱা কৰিম শুভকামনাৰ প্ৰসাদ

মোৰ দেশে মোক যি দিছে, তাৰেই এই মাটি-কালি
সীমাৰ আকাশে আৱৰা এই দিক্‌বলয়ত হেৰোৱা আৰু পোৱাৰ হস্তলিপি
মনোকষ্ট অথবা মনোবেদনা মাথোঁ আমাৰ ভাবনা
মূৰত ভাৰ বৈ বৈ আদবাটত মূৰ্ছা যোৱা গৰ্ভৱতীৰ পৰা
শিশু এটি কামনা কৰো
যিয়ে তুলি ল'ব পাৰে স্বদেশৰ ভাৰ আৰু সুনাম

পাৰ হৈ অহা বুৰঞ্জীৰ পাতত মৰ্‌মৰাই উঠা ছবিবোৰৰ স'তে কথা পাতোঁতে
সুধি চোৱাৰ বাসনা আছিল
সোধাহে নহ'ল স্বাধীন হৈয়ো কিয় ইমান পৰাধীন
এই খাটিখোৱা মাটিৰ মানুহ।◆

# আই

চেঁচুকৰ শিলছটাৰ দৰে সদায় চেঁচা পৰি আছিল আইৰ দুহাত
অথচ আইৰ হাতৰ স্পৰ্শত আছিল
তপ্ত দুপৰীয়াৰ সস্নেহ উষ্মতা

নিজেই উশাহ ঘূৰাব পৰা নাছিল
তথাপি আমাৰ আয়ুস বিচাৰি সদায় উধানৰ একোণত চাকি দি
আওৰাইছিল কাকুতি ঘোষা

বৰ্ণমালাই স্পৰ্শ নকৰা আইৰ চকুত অগা-ডেৱা কৰিছিল অলেখ সপোনে
পঢ়িলে আকাশতকৈও ওখ হয় মানুহ— আয়ে শুনিছিল
সেয়ে টিপচাকিৰ পোহৰত কিতাপ এখন মেলি দি
আঙুলিৰ মূৰৰ গণিতেৰে বাৰম্বাৰ বুজাইছিল—
পঢ় বোপা, নপঢ়িলে মানুহ পিতায়েৰৰ দৰে পাণবেপাৰী হয়।◆

# হৃদয়ৰ দুৱাৰ

সকলো বাট বন্ধ কৰি
হৃদয়ৰ দুৱাৰখন খুলি থোৱাৰে পৰা বহুতকে লগ পাইছো
কবিতাৰ পৰা নিমখ-তেললৈকে অনন্ত কথোপকথন

বহুজনৰ হাতত হাত থৈ চাব নোৱাৰো মুখলৈ
শিল পৰা বুকু
যুদ্ধৰ ঘোঁৰাৰ দৰে নিদ্ৰা আৰু ভোকত মৰি যোৱা এটা ফ্ৰেম
য'ত বন্ধাই থোৱা থাকে মাংস আৰু হাড়ৰ জুমুঠি

হৃদয়ৰ দুৱাৰ খোলা ৰাখি যি দেখিছো
দুখৰ ভাৰ বোৱা মানুহেই সৰহ
নজনাকৈ কঢ়িয়াই লৈ ফুৰে মৃত্যুৰ সমতুল্য অৱশিষ্ট
মাথোঁ সুখৰ হাঁহি পিন্ধি হাত জোকাৰি এৰি দিয়ে চকুৰ মমতা

শেষত বুজি উঠিছো জীৱন মাথোঁ এবেগেত হাতৰ এচলু পানী
যি উপঙি থাকে অকলে পানীপতাৰ পুখুৰীত।◆

# দেও

ইমান দেও-পিশাচৰ গল্প বাটে-ঘাটে
চৰুৰ চাউল নিসিজা হ'ল, সন্ধিয়াতে নুমায় দুখৰ লণ্ঠন

পাতি চাইকেল এখনো বাটলৈ নোলোৱা হ'ল
নিমখৰ দাম বাঢ়ি বাঢ়ি আয়'ডিন কমি যোৱা আইৰ চকুত
বিষণ্ণ হালধীয়া কাহ এটাৰ অস্বস্তি

গোটেই গাঁওখনতে জ্বৰ— চাৰিওখন এম্বুলেঞ্চতে অক্সিজেন নাই
মাইকণৰ মাকৰ চিএঞ্জৰ— বাপেকটো ঢুকাবৰ দুমাহ হৈছিলহে বিধি

ছিৰিলি ছিৰিলিকৈ ফলা কেঁচা খৰি— কোনোপধ্যে নজ্বলে চিতাৰ জুই
নৈৰ সিপাৰৰ বাইলুঙে আহি তালফাল লগাইছে
হেনো কোনোবা দেও-ভূত চাপিছে

বিহলঙনিৰ আগ ৰঙা পৰি শুকাই লেৰেলিল
তথাপি বাপুকণৰ নাড়িৰ বিষ নকমিল
বিপন্ন দিনক পোহপাল দিওঁতে শেষৰ দিনা সি লঘোণে আছিল

কি দেও চাপিছে— কি দেও চাপিছে
উজাগৰী গঞাৰ চকুলৈ নামিছে কাল ঘুমটি... ◆

# মাটি জীৱনৰ মূলাধাৰ

খেঁজালনি নুফুটা সৰল-সদালাপী এখনি মৌসনা মাটিৰ মুখ
এই জীৱন পানীৰ, এই দেহ মাটিৰ বুলি বুজনি নিদিয়াহেঁতেন
নুবুজিলো হয় আজিও
ক'ত কেনেকৈ একেডৰা মাটিতে খান্দি আছো অতদিন বুৰঞ্জীৰ হাড় বিচাৰি

উফৰি আহে কোৰ, ছিটিকি আহে জুই
শিলাময় অভেদ্য দিনান্তৰৰ পৃষ্ঠত লাগি খহি পৰে মোৰ হাতৰ শিলাকুট্টক
তথাপি খান্দি আছো, এদিন সহজ হ'ব আৰু পমি আহিব লাহে লাহে চকুৰ শিলীন্ধ্ৰ

মৃন্ময়ী মুখ সশোক সময়ৰ ৰাতিবোৰক সাধুকথাৰে গিলিপ মাৰি থ'ব পৰা আইৰ মুখ,
তেতিয়াই নুশুনা হ'লে সসাগৰা পৃথিৱীৰ ইমান ছটফটনি
নুবুজিলোহেঁতেন, সেয়ে আজি ফেৰ মাৰি বতাহৰ স'তে বজাওঁ অহীৰৰ বাঁহী
নৱানিত ওঁঠ চেপি গাওঁ জীৱন যুঁজৰ সংগীত

সলিমাটিৰ বাউসিক উধান কৰি জুই একুৰা জ্বলাই ৰৈ আছো
ৰৈ ৰৈয়ো নিগাজি নহয় এই পথাৰ
ধোঁৱাই ঘেৰি ধৰিছে, খহনীয়াত মাটিবোৰ কমি আহিছে
চেপি আহিছে জীৱনৰ মূলাধাৰ।◆

# পানী-ঘোযা

পানী-শিলনি শুকাই শেলাই বান্ধিছে, উৰণীয়া ডাৱৰ এডোখৰে
আকাশত চিলনী সাঁতোৰ শিকিছে

মৈয়াই থোৱা চপৰাত বন-নহৰু এডাল গজিবলৈও নাই পানী
বোবা হুমুনিয়াহ এটা ওলাই আহিছে
উদং কলাফুলৰ তিলটোকে তাল কৰি মেঘে গৰজিছে বুলি মিছা মতা নাই
শুকান জেওৰা এখনতে ভেঁজা দি আছো
ভাদ মাহৰ বুটমাহ তিয়াই পানী এঢোক গিলিছো

ওলাইনো যাওঁ কেনি
হুৰাই দিব নেলাগে চৰাই— এইবেলি আহুধান নাই
পানী ভাঙি ভাঙি উজাব নেলাগে নাও
শোকৰ সাতসৰী পিন্ধি মজিয়াতে চিৎ খাই আছে দাৱনীৰ সপোন

ভৰ দুপৰীয়াৰ সুহুৰি এটিও নাই, পাত এখিলা নকঁপাকৈ থিয়দঙা দি বৈ আছে ব'দত
নিসাৰ বৃক্ষ ছায়া
পেট চুঁচি নিয়া দিন এটা আহিছে
অসাৰ হৈ অহা মন-মগজুৰ স্মৃতিবোৰ ভ্ৰম হৈ উৰি ফুৰিছে চাটকৰ দৰে
সন্ধিয়াৰ চাকি এগছি জ্বলি নঙলামুখেদি ওলাই আহিছে
এফাকি বিলম্বিত পানী-ঘোযা।◆

# জীৱন

কাৰ বাবে বৈ আছো উদাসী মনৰ চিলা উৰুৱা হাত মেলি
জানো পূৰ্ণতাৰ ৰূপকাঠি শূন্যতাৰ নীলিমাত নাথাকে
অপ্ৰাপ্তিৰ খিৰিকীৰে সোমাই নাহে সুখৰ জেউতি
চপৰা-চপৰে খহি পৰা সময় বুলুকাৰে বগাই নাহে বুকুলৈ
ইঙ্গিত সৰ্পিল নৈ

উভতি অহা বগলীজাক বাঁহনিজোপাত নাই বুলি জানিও খেপিয়াই চাওঁ চকুৰ নিমিষেৰে
চৰ্‌চৰণি কেৱল বাঁহপাততে নাথাকে
কলিজাৰ ভাঁজত জাপ খাই থকা যুগান্তৰৰ সৰাপাতেও মাতে
শেষ হৈ যোৱাৰ পাছতো জী থাকে এচলু মায়া
যি মায়াৰ পাশত বন্দী হৈ থাকে নৈৰ পাৰৰ লঠঙা গছ
আৰু শ্মশানৰ নিৰ্বোধ চণ্ডাল
সুদূৰৰ সেউজীয়াত বুৰ যাব খোজা দৃশ্যবোৰক চকুৰ পলকেৰে আঁকিছো
জানো সেই দৃশ্যৰ শেষ নাই
তথাপি শেষ হোৱাৰ আশংকাত কঁপি থাকে অৰণ্য
দুলি থাকে জীৱন নামৰ এগছি বন্তি...◆

# প্ৰেম-পৰ্বান্তৰ

যিমানে অপ্ৰেমৰ ভাও নধৰা কিয়, তুমি ধৰা পৰি যোৱা
যেতিয়া পকা জলফাই এটা জিভাত দিয়া,
যিমানে গহীন হৈ নেদেখুওৱা কিয়
ফাগুনৰ চিলা এটাই তোমাৰ চিলাটোৰ চুলি যেন সূতাডাল কাটোঁতে
সকলো জেদ বলিশালত জাপি দি তুমি দৌৰিছিলা মাথোঁ
চিলাটোৰ পাছে পাছে

আৱেগৰ সেই দৌৰত পিছলৈ ঘূৰি নোচোৱাৰ বয়স এটা আছিল তোমাৰ
কতনা হাবি-বন, পৰ্বত-কন্দৰ চেৰাই বুকুৰ সৰু জগতখন
এনেকৈয়ে ঘূৰি থাকে

সেই ঘূৰণত আত্মকথন আৰু আত্মমন্থনৰ হৰা-জিকা
নেমুপুলি এটা ডাঙৰ কৰাৰ দৰে আঙুলিৰ যতনত বাঢ়ি অহা তোমাৰ তৰুণ পৃথিৱী
জীৱন মানেই প্ৰেম যদিও ছিগি যোৱা সূতাডাল যোৰা লগোৱাৰ
যো-জা কৰি থাকোঁতেই
দোভাগ ৰাতি হয়
অথচ জোনাকো নাথাকে বৈ— মৰ-আঁউসী আহে নেকি এনেকৈ
নিজম হৈ পৰাকৈ তোমাৰ গধূলি-গোপাল ফুলা পদূলিলৈ'

বহুদিনৰ পাছত দুনাই খুলি লোৱা চিঠিৰ খামটোৰ পৰা পখিলা
উৰাদি উৰে পৰ্বান্তৰৰ প্ৰেম
ফাগুনৰ চিলা এটা হোৱাৰ বয়স নাথাকে
নাথাকে চুই চোৱাৰ অতি অভিলাস। কিমানবা মৰ্মন্তুদ এতিয়াও
তোমাৰ সেই প্ৰজাপতি হৃদয়।◆

# নৈৰ কথাৰে

যিমানে নৈখন বহল হৈ গৈ আছে পাৰ বান্ধি বান্ধি সিমানে মাজলৈ ঠেলি গৈ আছো
পাৰ কাটি কাটি নৈখনক বহল কৰা প্ৰথম মানুহ আমিয়েই
নৈৰ পানী ঘোলা কৰি পাছত পৰিশোধনৰ বক্তৃতাৰে
শীতল পানীতো বৰফ দি খোৱা মানুহ আমিয়েই

তেনে মানুহৰ প্ৰায়চিত্তৰ বিধান কি
বিধান গঢ়োঁতাইহে জানে কিদৰে গঢ়ি-পিটি সুৰুঙা এটি ৰাখে
ধোঁৱা উৰুৱাই গুচি যায় ডিঙিৰ শিৰ ফুলাই কথা কোৱা মানুহ
ডিঙিৰ শিৰ ফুলাই কথা কোৱা মানুহৰ স্বৰ্গপ্ৰাপ্তি সহজ
সেই কথা জানিও ভোগবাদে বশীকৰণ কৰে সসাগৰা পৃথিৱীক

মানুহক সৰ্বস্ব দি দি শেঁতা পৰি যোৱা নৈখনৰ বঙিয়াইদি উজাই আহিলে গম পাবা
নৈখনৰ একো ভুল নাই
পাক খোৱা ৰছীৰ দৰে অকাই-পকাই বৈ থকা নৈখনিৰ একো কথাৰে পাক নাই
পলসৰ জৰায়ুত সঁপি দি যায় সকলো সাঁচতীয়া ধন-সোণ
সেই পলসতেই আজোককাৰ দিনৰ পৰা আমাৰ হাড়ৰ খেতি
ৰাজহাড় পোন হ'ল— মূৰ দাঙি চাব পাৰো এতিয়া অসূৰ্যস্পৰ্শা আকাশ
এবেগেত মাটিত থিয় হৈ হুৰাই দিব পৰাকৈ কণ্ঠস্বৰ এটা হ'ল
নিমখ আৰু ৰঙা চাহ চাকি চাব পৰাকৈ এখন জিভা
বিদায়ৰ যান্ত্ৰণা মানি ল'ব নোৱৰাকৈ এটা কোমল কলিজা
এটা বৰ্ণিল মগজু গজি উঠিল এই পলসৰ পৃষ্ঠতেই

এই নদীয়ে নিচুকাই থৈ যোৱা নদীয়ালৰ নাৱত অলেখ সৰাপাতৰ আবেলি
নদীয়ালে মাথোঁ জানে নাৱৰ কথা— উজাই অহা মাছৰ ভৰসাত
লিখে-ফালে দিনলিপিৰ কবিতা
পাৰ কাটি কাটি বহলাব নাজানে নৈখনক অথবা
পাৰ বান্ধি বান্ধি চেপিব নাজানে নৈৰ বুকুখনক
নৈখনৰ আজন্ম স্নেহনীল নদীয়ালজন তেনেকৈয়ে থাকি যায়
ডিঙিৰ শিৰ ফুলাই পঢ়িব নাজানে যন্ত্ৰণাৰ কবিতা।◆

# ভাত

ভাতৰ বাবেই গোলামি খাটো
কান্ধ পাতি লওঁ
আস্তাবলৰ বোজা

চাবুকৰ দৰে কটু বাক্যত মই পথভ্ৰষ্ট নহওঁ
কাৰণ মই জানো যে মোৰ এই নিমখীয়া ঘামতেই
পোনাহঁতৰ আয়ুস, জীৱন-যৌৱন

সিহঁতৰ সপোনবোৰৰ বাবেই মই অহৰহ শিল ভাঙো
কোৰ মাৰো বুলড'যাৰ চলাওঁ

মই জানো মই জানো যে
গোলামৰ সিটো পিঠিত স্বাধীনতাৰ ৰং
যি ৰঙেৰে হাঁহিব পাৰি
পোহৰ কৰিব পাৰি চাকি নজ্বলা দুখৰ ৰাতিক।◆

## আত্মকথন

মেঘৰ ছাদ খহি জোনটো উপঙি আছে
এছাৰেকণিবোৰ আহি
মোৰ খিৰিকী চুইছে

হেমন্তৰ দাপোণত মুখ চাই চাই পানীপতাৰ পৰা ডিঙি মেলি চোৱাৰ বয়স নাথাকে
সময় নালাগে জালিকটা জপনা সৰকি তোমাৰ চৌপাশ ভ্ৰমণ কৰোঁতে

কাঁইটীয়া বাট খুপি খুপি পৰ্বতৰ মাণিক বিচৰাদি
অৱচেতন মনে যি বিচাৰে
সেই এচলু পানী কঁচুপাততে আছিল, বিচাৰিব নাজানোতে যিদৰে হেৰায় মৰতৰ প্ৰেম
দুনাই আৰু ঘূৰি নাহে ওৰেটো ৰাতি সুহুৰিয়াই থকা সেই স্মৃতি-সুগন্ধি

মিত্‌ভাষ হৈ ওলমি আছো ওঁঠত, সৰাপাতৰ শব্দ হৈ
খিৰিকীৰ মুখলৈ আহিছো, একেই এছাৰেকণি
মেঘৰ ছাদ খহি পানীৰ জোনটো নামি আহিছে লাহে লাহে
চকুৰ মণিৰ ভিতৰলৈ।◆

# কথকতাৰ অদৃশ্য ক'লাজ

একাযৰীয়াকৈ থৈ দিয়া কথাবোৰক কেতিয়াবা জুকিয়াই চাওঁ বুলি
সূতাৰ আঁত বিচৰাদি বিচাৰি থাকো যদিও
হেৰাই থাকে চুলি যেন কথাৰ মহঙা শিপা

কথাৰে অলপ সীমা চেৰাওঁ বুলি কথা গৰকি
পাৰ হ'ব খোজো ওখ পকি দেৱাল
কথাৰ কঠনা নুফুলেহে নুফুলে উভতি আহে জিভাৰ পাক
সহজে মুখলৈ নহা কথাবোৰক আঙুলিৰে শূন্যতে আঁকি দেখুৱাওঁতে
হয়গৈ কিছুমান যখিনীৰ ছবি
কিছু সময়ৰ পাছত যখিনীৰ ছবিবোৰ ভাগি-ছিগি
ঠেকেচা খাই পৰেহি মাটিত
তথাপি বুজোঁতাই বুজে ভাবনাৰ আঙুলিৰে আঁকা এখন অপূৰ্ণ ছবিৰ
অদৃশ্যমান কথকতাৰ ক'লাজ

দুখত তাপিত খেয়ালী মনে আঁতৰাই থোৱা জীৱনটোক
উদযাপন কৰিবলৈ বাট চাই থাকে সময়লৈ
যদিও পাখিলগা সময়ে আঁতৰি গুচি যায় মাটিত দীঘল আঁচ এডাল টানি
সেই আঁচক মচিব নোৱাৰি আমি কেৱল জিকিবলৈ
আৰ্জিত আঁচ টনাদি আৰু কিছুমান আঁচ টানো
আঁচেৰে ভৰি পৰা জীৱনটোত কথাবোৰে আঁত হেৰায়
কথাবোৰ গিলিপ খাই ধৰে পুৰণি ঔষধৰ টেমাটোৰ দৰে

নজনাকৈ হয়তো সেই কথাবোৰত একুৰা জুই জ্বলি থাকিব পাৰে
নজনাকৈ সেই কথাবোৰত মিশ্ৰণ হৈ থাকিব পাৰে
এচামুচ চকুৰ পানী—◆

# মোৰ পৃথিৱী

বাহিৰত কি চলিছে নাজানো
ভিতৰত বৰ চেঁচা সেমেকা শোৱাপাটী, জুই একুৰা জ্বলাই লৈছো
উহোৰা শাক আৰু
ৰঙা আহু চাউলৰ এসাঁজেৰে উদৰটো পূৰাই ভাবিছো

বাহিৰৰ কথাৰে মোৰ চকু নিসিজে
ভিতৰৰ বতাহেৰে মোৰ সৰু হাঁওফাঁও চাৰিটা চলিছে

ল'ছালি তিৰোতাক সাহস দি কৈছো
মই ইয়াতকৈ আৰু নিঃকিন নহওঁ
তোমাৰ ব্লাউজটো ফিচিকিব নিদিবা
লাগিলে পিন দুটা খুলি
সৰুটোৰ পেনত মাৰি দিবা— তাৰ বুটাম ছিগিছে...◆

# কবিতা

গুণ্‌গুণনি এটা শুনিছো অথচ কোনেও গোৱা নাই গান
ঝৰ্‌ঝৰণি শুনিছো অথচ কোনোকালে বৈ অহা নাই
এই বননিৰে পাহাৰীয়া নৈ-জান

এই বননিত নুশুনাকৈ শুনিব পাৰি
নোচোৱাকৈ চাব পাৰি
মাথোঁ নুশুঙাকৈ শুঙিব নোৱাৰি অকটা বিষফুল

এই বননিৰ যি বাটেৰে তুমি খোজকাঢ়ি যোৱা
সেই বাটৰ কোনো দিশ নাই
তুমি যি দিশেৰে গুচি যোৱা
সেই দিশৰ চাৰিসীমা নাই

তুমি নথকা দেশ নাই, মাটি-পানী-বায়ু
সৰ্বব্যাপী তোমাৰ তেজ
তোমাৰ উত্তাপেৰে আমাৰ দিন
আমাৰ দিনৰ ৰাতি নাই— ৰাতিবোৰক পোহৰ কৰা তুমি উত্তাপৰ চুমা খাই

সেইবাবেই তোমাক চুই চায় ৰ'দে
আজীৱন বুৰাই ৰাখে বৰষুণে
উমান নোপোৱাকৈ
তোমাক খুলি খুলি খায় হালধীয়া জোনটোৱে...◆

## দুৰুলিয়া ভাঁজৰ জীৱন

এটা ভাঁজত আধা জীৱন আৰু আনটো ভাঁজত জীৱনৰ পূৰ্ণতা
পূৰ্ণতা মানে নহয় যে শীৰ্ষ শংকুলৈ আৰোহণ কৰি
জীৱনে সামৰি লয় অসীম প্ৰাপ্তিক

জীৱনে মাথোঁ পিছ হুঁহকি নোযোৱাকৈ
থূপাই লয় কায়কৃত সংগী

চকুৰ মণিৰ আপডালত পুথি নপঢ়া, সাধু নিলিখা
পুৰণি কথা
সৰুতে কঠনা ফুলৰ পানীৰে গা ধুৱাওঁতে দেহত একো ভাঁজ নাছিল
জনা হোৱাৰে পৰা পৰৰ ফুলনিত চকু দিওঁতে দিওঁতে
চকুৰ মণিটো পৰৰ হ'ল বুলি জানি
এতিয়া এটা ভাঁজত লুকুৱাই ৰাখো নিজকে

উচ্ছ্বসিত টিটকাৰি দিয়া নিৰাভৰণ সময়বোৰ এতিয়া
ভৰফাগুনত পৰিল
সৰাপাতৰ ভাঁজত সৰ্পিল ভাবনাক এৰি দি
এতিয়া শুই থাকো, দুৰুলিয়া ভাঁজত সোমাই ভাবি থাকো
জীৱন সদায় অপূৰ্ণ— মাথোঁ সন্ধিয়া হ'লে কোৰ্হাল কৰো
দলনিৰ দাউকজনীৰ দৰে।◆

# সন্ধিয়াৰ মালিতা

সন্ধিয়াতে ভোটাবোৰ জ্বলি উঠিল
পামৰী বস্ত্ৰৰ আঁৰত এন্ধাৰৰ আস্ফালন— অগ্নিগড়ৰ তলেৰে অৱনত
ভাওনাৰ বিলম্বিত বচন

দিনান্তৰ সামৰি ক্লান্ত দেহৰ শয়নপ্ৰীতি
উতলা তেজ পানী হৈ পৰে সন্ধিয়াৰ এই মালিতাত
গল্পৰ পাতনিতে গল্প এটা সাৰ পায়
ক্ৰমে উচ্চাংগ হৈ আহে
ডিঙিলৈ উজাই অহা প্ৰেমৰ আৰাহনী সংগীত

সন্ধিয়াতে গুজৱ এটা ভাঁহি ফুৰে কাণে কাণে
পদূলি শুঙাই শুঙি ফুৰে
আফুলন ফুলনিত হাত দি জৰিমনা ভৰে
কোন সেই বাঁহীবাদক, কি বেজাৰত উজাৰি দিয়ে বুকুভৰা উম্মা

সন্ধিয়াতে জ্বলি উঠা আবিয়াৰ পোহৰত হৰধনু ভাঙোতাজনবো
একেই গুজৱ
প্ৰজাৰ সুখত বলিয়া সি; বনবাস দিয়ে আপোন তিৰোতাক

মাতৰ তিতাত এঙামূৰি দি দি পাৰ হয় সুদীৰ্ঘ ৰাতি
সন্ধিয়াৰে পৰা যি মালিতাৰে থাকে বুকু ভৰি
পুৱালৈ সেই মালিতাৰ শলিতা নুমাই উদং হয় চকুৰ চাকি।◆

# উৰণীয়া বৰযুণ

ফাটমেলা বসুমতীলৈ চাই চাই উৰি ফুৰা বৰযুণজাকক
এইকেইদিন গালি নাপাবা মানুহ নাই
ভেকুলীৰে যোৰাই কিমানে যে নাক কাটিলে বৰযুণৰ

বৰযুণেনো কি জানে বতৰৰ কথা— খৰালি নে বাৰিষা
বতাহৰ সুহুৰিত পেখম মেলা মেঘৰ ঘাম বৰযুণ

মেলা খিৰিকীৰে ছিটিকি অহা বৰযুণ
এছাৰেকণিৰে কলেজলৈ গৈ থকা গোলপীয়া ছাতিৰ
ছোৱালীজনীক আমনি কৰা বৰযুণ

এনে বৰযুণতেই হাফপেডেল মাৰোঁতে মাৰোঁতে
কিমানবাৰ যে বাতিল হৈছিল ধৈৰ্যৰ পৰীক্ষা

এতিয়া পৰৰ কথা পাই বৰযুণজাক উৰণীয়া হ'ল
উৰি উৰি খীণকাই বগা বগলী যেন হ'ল বৰযুণ
মাটিক পাহৰি বনৰীয়া হ'ল
প্ৰেমৰ বৰযুণ।◆

# শব্দ-শঙ্খ

শব্দ-শঙ্খৰ ৰাগিনীৰে ৰাতিৰ জোন এটা নামি অহাৰ দৃশ্য
কেৱল কবিয়েহে দেখে উজাগৰী জলজ চকুৰে

মেঘবোৰ পানীৰ টোপাল হৈ মাটিৰ জৰায়ুত অৱগাহন কৰিলে
কি হয় কি হয় কবি
শস্যৰ শিশু ওপজে
সেই উৎসৱত ফুলে-পাতে চৰাইৰ কোৰ্হাল
জয়াল বাঁহনিডৰাত কোন পখীৰ তোলনি বিয়া যে
আঁখে ফুটাৰ দৰে জোনাকীপৰুৱাৰ চঞ্চল ছিটিকনি আহি
পদূলিমুখত পৰেহি

শব্দ-শঙ্খেৰে উদযাপিত প্ৰিয়তম পৃথিৱীৰ কথা
কেৱল কৃষক কবিয়েহে জানে
নাঙলৰ সীৰলুত ৰাজহাড় বেঁকা হোৱালৈকে
মহাকাব্যিক জীৱন-গাথাৰ যি নিলিখা প্ৰবাদ
বোকা-পানীৰ লেপনে তাৰ আকাৰ দিয়ে
হাবিয়নি ফালি অনাখৰী কবিৰ মুখত ফুটে বনঘোষা
শব্দবোৰ শঙ্খৰ দৰে নিৰলে বাজি উঠে
তেওঁৰ পুৰণি তানপুৰাত

সেই শব্দ আৰু লোকগাথাক লৈ আমি দীঘল শোভাযাত্ৰা কৰো এতিয়া
সমলয় সমস্বৰে গাওঁ বন্দিত গান
ভাওনাৰ বচন মাতি মাতি খেদি ফুৰো তেজাক্ত দানৱক
পলাই ফুৰে মুখাধাৰী ভায়্যকাৰ
শব্দ-শঙ্খৰ সনাতন ৰাগক তেওঁ ভয় কৰে, সত্যই মিথ্যাচাৰক
দ পিতনিত পুতি পেলোৱা সাধুটো তেওঁ শুনিছে

লেবেজান হৈ এন্ধাৰৰ মূৰ্তিবোৰে এনেদৰেই শৰণাগত হয় পোহৰৰ বাটত
শব্দ-শঙ্খৰ মাতে পুষ্প বৃষ্টি কৰে, হেৰুৱাজনে বিচাৰি পায় অমৃত জীৱন...◆

## ৰত্নাৱলী পঢ়

অঁ ৰত্নাৱলী পঢ়, থিৰ হৈ ডিঙি মেলি চা—
চৌফলীয়া ৰ'দে চেঁচুকৰ পৰা বোৱাই নিছে
কজ্জলী এন্ধাৰ
তিনিআলিত বহি ভাগ্যক ধিয়াওঁতে ধিয়াওঁতে চৌভিতি বিকা গ'ল
থাকিল মাথোঁ শূন্যতাৰে ওপচা চোতাল

উকলি যোৱা সেই সময়বোৰ আছিল নিৰন্ন দিনৰ দুঃপাঠ্য
এতিয়া নতুনকৈ কামত ধৰ, কঠিন বুলি একো নাই
কঠীয়া চৰুত অঁকাৰী চাউল সিজাৰ দৰে ফুলিব এদিন সবল হাতৰ কল্পতৰু ছ

খামিডাঠ কৰ, ৰণলৈতো যাব নালাগে, ভাগি যোৱা গাঁওখনতেই তাঁত-বাটি কৰ
ভীমকলৰ পুলি দুটা ৰো; পশ্চিমে বাঁহ, পূবে হাঁহ
কুৰুৱা বতাহত গাভিনী হ'ব কাকিনি তামোল

ধনেশ্বৰৰ পুতেক ফণীধৰ নন্‌মেট্ৰিক, কি নাই কৰা সি— খেতিৰ ফচল খায় কোনে
তাহানিৰ ওৰাং মৌজাত সিয়েই তহ্‌চিলদাৰ সিয়েই কাউঞ্চিলৰ
গাঁৱত জেঠুৱা ভাওনা— ফণীধৰক মাত
পাত-পটুৱা কটাই নাই তাৰিখ চাপিল— ফণীধৰক মাত

আচলতে মন মেলিলে সকলো সিজে, দেখিছানে পানীত চহৰ পানীত গাঁও
মুঠতে থিৰ হৈ পোনাই যা— থিতাতে বেগাই আহ
হাতে ধৰা কাম বিশ্বাসত লোৱা ঈশ্বৰ নামৰ দুগুটি অক্ষৰ
অঁ ৰত্নাৱলী পঢ়, দুটা পদ্য লেখ— সুখ আৰু দুখৰ... ◆

# কথা বাঁহী

যোৱা ৰাতি বাঁহীৰ মাতত নে জিলীৰ মাতত
তোমাৰ গাটো ইমান কঁপিছিল

কঁপনিতে তুমি লতাৰ দৰে মেৰিয়াই ধৰা গা-গছডালো
তেতিয়ালৈ আছিল নিস্বৰ-নিস্পন্দ

তোমাৰ উশাহ আৰু কঁপনিৰে পুৱাৰ পোহৰ হ'ল
পাখি গজি চৰাই উৰিল
এখিলা-দুখিলাকৈ পাতেৰে সেউজীয়া হ'ল
নিবন্ন দুপৰ

তুমি হাতেৰে থপিয়াই সাঁচি ৰখা জোনাকীপৰুৱাটো
এতিয়ালৈ চাগৈ এটা ভৰা জোন হ'ল
প্ৰিয়জনৰ আগত লুকুৱাই ৰখা সেই কথাটো
এতিয়া দোভাগ ৰাতিও কথা বাঁহী হৈ উৰি ফুৰিছে
অনুৰঞ্জিত বুকুৰ তলিত
সোণপৰুৱা হৈ জিলিকি উঠিছে

এনেকৈয়ে কথা বাঁহী হৈ উৰি ফুৰে দিনে-ৰাতি— তেজেৰে নিমিলা এটা সম্বন্ধ
উৰি উৰি ভাগৰ সলাবলৈ নামি আহে মাটিলৈ
পানী খাই একেলগে একেখন নৈৰ উপলা ঘাটত...◆

# কাব্যলিংগ

ওঁঠত বৰলে খালে বুলি কঠনা ফুলৰ হাঁহিটিৰে নঙলামুখত বহি থাকোঁতেই
অথন্তৰৰ উহ ফুটিল

এজাৰফুলীয়া বয়সৰ ফাঁকি, ওঁঠত বিন্ধা বৰলৰ হুলে
বুকুলৈকে শিপাইছে, মন দোলনিত ইচাট-বিচাট ছট্‌ফটনি
বাটলৈ চাই থাকোঁতেই কিমানটা যে ভৰদুপৰীয়া আবেলিৰ হেঙুলীয়া হ'ল
তাৰ হিচাপ কেৱল আঙুলি-মূৰেহে জানে— যি দহোটা আঙুলি
সাক্ষী হৈ থাকে কৃতধী জীৱনৰ

সময়ে যি দি যায় সেয়াই সত্য—
তেনে সত্যৰ অস্বীকাৰতেই যত দুখ আৰু যন্ত্রণাৰ সন্নিপাত
পানীৰ তলৰ পানী বিচাৰি থাকোঁতেই জলকুঁৱৰী কুমাৰী হৈ থাকে
জলগুঁইৰ দৰে এটা জলজ জীৱনে কাহানিও নেদেখে মৰীচিকাৰ তিৰবিৰণি

সৰাপাতৰ শব্দৰ স'তে প্ৰেমৰ উপমা দিয়া আৰু কিমানটা
গধূলি আছে ফাগুনৰ
চনকা জীৱনৰ ভৰি পিছলাকৈ
আৰু কিমানটা পিছল বাট পাৰি থোৱা আছে বৰপীৰা পৰাদি
সকলো কাঁইটীয়া পথৰ ওপৰেৰে চলি থাকে এই জীৱন
সনাতন অলংকাৰেৰে ব্যঞ্জিত এটা প্ৰতীকী কবিতাৰ দৰেই
মৃত্যুতো যাৰ উপমা শিলৰ শয্যাসংগী হয়।◆

# ভ্ৰম নে মায়াৰ জীৱন

অকলে-নিজানে কাটি আছো এই বাট, থুকুহি সময়ে এৰি যোৱা খোজত
এবেগেত ভৰিখন থৈ
দাঙি আছো হালি পৰা চালিখন, মূৰৰ ওপৰৰ ধুমুহাজাকক
সোধা নহ'ল মোৰ দোষ-দুৰ্বলতা, প্ৰেম-অপ্ৰেমৰ কথা

দকৈ ভাবি-গুণি বুজি পালো
অকলে-নিজানে নিজকে বহু কথা সুধিব পাৰি
সুখ বা দুখৰ ভাও এটা লৈ নিজকে চাই শুধৰাব পাৰি কেঁচা অভিনয়
এনেকৈ শুধৰণিৰ মাকো মাৰি থাকোঁতেই
সময়ে খোঁচ এটা মাৰি থৈ গ'ল
নিমিষতে পাৰ হৈ গ'ল গাঁও-চুবুৰিৰ পুৰণি বাখৰুৱা ছবি

হাতে-হাত ধৰি কিমান যে ল'ৰালি
হাৰিও জিকি যোৱা খেলখন ক'ত খেলো এতিয়া
অৰণ্যতো নাই চৰাইৰ মাতত হেৰাই যোৱাকৈ
বতাবনৰ জতুগৃহ সাজি জ্বলাই দিবলৈ তোমাবনো ক'ত সময় অ' গৰখীয়া

স্মৃতি-বিস্মৃতি আৰু ভ্ৰমৰ মাজত এতিয়া এই সময়
কোনে কাক কেতিয়া ঠগি গুচি যায় মায়া এৰি
কুশলে জী আছো বুলি মিছাতে।◆

# কাৰোৰে প্ৰিয় হ'ব নোৱাৰিলো

হাতত বাঁহী আছিল
অথচ সেই বাঁহীৰ মাত শুনাকৈ কাযত কোনো নাছিল
দূৰৈৰ ফেঁচুজনীয়ে মোৰ বাঁহীৰ মাত নকল কৰি
সুহুৰিয়াব শিকিছিল
আৰু এদিন বহু জনপ্ৰিয় হৈ বঁটা বুটলিছিল

আগৰ ঠাইতেই মই ৰৈ আছিলো
হাতত আছিল পুৰণি বাঁহীটো
একেযোৰ সাজ
চিলাই ফটা একেটাই কামিজ

ডেটিঙত আহি পায়চাৰি কৰি থকাবোৰে মোক চিনি পোৱা নাছিল
আৰু কোৱা-কুই কৰিছিল
ফেঁচুৰ মাত নকল কৰা
এইজনা মান্ধাতা যুগৰ মাতাল মানুহ

বাঁহীটো মোৰ কঁকালৰ খোঁচনাত লৈ অপ্ৰিয় সত্যবোৰক কঢ়িয়াই ফুৰো
অপবাদৰ জেওৰা নেওচি
ৰাতিক দিন কৰো
সেইবাবেই মই কাৰোৰে প্ৰিয় হ'ব নোৱাৰিলো...◆

# চেকনি

চেনিৰাম ছাৰৰ চেকনিডাল চিক্‌চিকাই আছিল বাবেই
সৰসৰকৈ মুখস্থ আছিল নেওতা
অবাটে যোৱা খোজটো চিধা বাটে পোনাইছিল

ভয় কৰিছিলো নে শ্ৰদ্ধা নে বিশ্বাস
উপৰিপুৰুষৰ চেকনিৰ পৰম্পৰা পিতাইৰ হাতলৈ বগুৱা বাই আহিছিল
আৰু আমি হৈ পৰিছিলো একান্ত ঘৰগোনা

ভৰসা আছিল বাবেই চেকনিৰ আগত বিদ্যা আছিল
অথচ চেনিৰাম ছাৰৰ চেকনিৰ চিক্‌মিকনিয়ে কাহানিও চুই যোৱা নাছিল
হাত-পিঠি-কলাফুল

বিশ্বাস আৰু শ্ৰদ্ধা আছিল বাবেই
বেৰত গুঁজি থোৱা চেকনিডালৰ ফালে সদায় এটা সেৰা আছিল
মনৰ ভিতৰতে।◆

# নাহৰ

নাহৰ ফুলা খবৰটো ওঁঠত লৈ
এপাক ঘূৰি অহাৰ অচিলাকণো নোহোৱা হ'ল
কালি নাহৰজোপা কটা গ'ল, সীমাত নপৰিল
সীমাৰ সিপাৰে দলং, ইটোপাৰে ওখ দেৱালত
মূৰ আফলিয়ালেও আৰু নুফুলে নাহৰ
গেৰেপনি লাগি পিছবাৰীৰ বাটটোও কাঠনি হ'ল

এনেকৈ যে কিমান খবৰ
কটা যোৱা লেণ্ডলাইনৰ তাঁৰতেই থাকি গ'ল
নাহৰৰ পাছত তগৰ ফুলিছিল
তগৰৰ পাছত কত যে ৰজনীগন্ধা শুকাই লেৰেলিল

তথাপি নাহৰ ফুলা বতৰটোলৈ ৰৈ থাকো—
সাঁচি ৰাখো অময়া প্ৰেমৰ পেৰাটো
পেৰাটো খুলি উৰুৱাই দিব নোৱাৰি পুৰণি পাতখাৰুৰ পখিলা
মোহনী লগা স্মৃতিৰ দাপোণ—
বাৰে বাৰে উভতি চাওঁ খিৰিকী খোলা আছেনে তোমাৰ

বহু কথা ভাবনাৰ মাজতে ৰাখি জুমি জুমি চাই ভাল পাওঁ
দিঠকনো কি সপোনৰে অলপ অভিনয়;
সপোনতহে সংকোচৰ জপনা ভাঙি ক'ব পাৰি
মোৰ বাবে ৰুই থ'বা তোমাৰ পদূলিত ৰজনীগন্ধাৰ এটি পুলি...◆

# হালধি-বটা আবেলি

সমুখৰ হালধি-বটা আবেলিটোৱে আমাৰ ৰিক্ত দিনৰ বহু কথা জানে
আকালৰ দিনত লেকেচিৰ তুলিকাৰে বিষ্ণু ৰাভাৰ চুলিৰ ঢৌ আঁকি
নিজকে নিপুণ কমৰেড্ কুলৰ বুলি বুকুত থপৰিয়াওঁতে
কামিহাড় এডাল খেট্‌কৈ উঠিছিল

সেই কথা ছোমালিয়াৰ ছবিখনৰ দৰে
আত্মজ্ঞানী শগুণটোৱে ভালকৈ জানে ভোকত মানুহ লাহে লাহে মৰি আহে
ভোকত মানুহে স্বীকাৰ কৰে— জিকি যোৱা পক্ষৰ স্তাৱক আমি
হাৰি যোৱা পক্ষৰো বিহ্বল শ্ৰোতা বুলি সন্তাপ উজাৰে
হাতত উন্মীলিত হৈ উৰি থাকে ক'লা পতাকা

মূৰৰ ওপৰেৰে উৰি যোৱা ধুমুহাক আওকাণ কৰি
জী থকাৰ ভাৱনা লৈ সপোন দেখা পথিক আমি
সেই কথা সমুখৰ হালধি-বটা আবেলিটোৱে জানে— ৰিক্ত দিনৰ ঘাম আৰু তেজ
তেজ আৰু ঘামৰ পৌনঃপুনিক সমীকৰণে
স্থিতাৱস্থাৰ জেদ বঢ়ায়। আমি কিতাপ পঢ়া ল'ৰা হ'ম বুলি জেদ কৰো
আৰু এদিন জেদত জিকি কঢ়িয়াই লৈ ফুৰো কিতাপৰ ভাৰ

কিতাপত আঁকা থাকে এটা আবেলিৰ হালধীয়া বৃত্ত
বৃত্তটোৰ ভিতৰত ৰামধেনুৰ সাতোটা ৰঙে আঁকে এটা দীঘলীয়া গো-বাট
সেই বাটেৰে ছট্‌ফটাই দৌৰি ফুৰে শৈশৱৰ হালধি-সনা আবেলি... ◆



# গুণাৰাম শইকীয়া

# হালধি বটা আবেলি

কবিতাক জীৱনৰ সঞ্জীৱনী সুধা হিচাপে গ্ৰহণ কৰি, নিৰালস্য সাধনাৰে গভীৰভাবে কাব্যচৰ্চাত ব্ৰতী, গুণাৰাম শইকীয়া সম্প্ৰতি অসমীয়া কাব্য জগতৰ এটি বলিষ্ঠ কণ্ঠ। ১৯৯০ চনৰে পৰা কাব্যচৰ্চা আৰম্ভ কৰি নিৰন্তৰভাবে প্ৰায় ৩০ বছৰধৰি কেৱল কবিতাকে সহযাত্ৰী হিচাপে লৈ জীৱন আৰু অভিজ্ঞতাৰ মসৃণ-খলাবমা পথেৰে খোজকাঢ়ি থকা কথাটো গভীৰভাবে কবিতাক ভালপোৱা জনৰ ক্ষেত্ৰতহে সম্ভৱ। কলেজীয়া ছাত্ৰ অৱস্থাতে প্ৰথমটো কবিতা ১৯৯৩ চনত তেজপুৰৰ পৰা প্ৰকাশিত 'অগ্নিগড়' কাকতত প্ৰকাশ পায়। তেতিয়াৰে পৰা অধিক একাগ্ৰতাৰে কবিতা চৰ্চাত নিমগ্ন, শইকীয়াৰ কবিতা - প্ৰান্তিক, সাতসৰীকে ধৰি বিভিন্ন আলোচনী-কাকতত প্ৰকাশ পাই আহিছে।

সততে প্ৰচাৰ বিমুখ কবি গৰাকী হাই- উৰুমি-কোৰ্হালৰ পৰা নিলগত থাকি, গাঁও আৰু প্ৰকৃতিৰ মাজত আপোনমনে কটাই ভাল পোৱাটো তেখেতৰ বিশেষ স্বভাৱ। জীৱনৰ বিবিধ অভিজ্ঞতাৰে সমৃদ্ধ অধ্যয়নলব্ধ চিন্তাধাৰাৰ পৰিশীলিত উপস্থাপন -তেখেতৰ কবিতাৰ বিশেষ বৈশিষ্ট্য।

অসমীয়া বিষয়ত স্নাতকোত্তৰ শইকীয়া, অৰুণাচল সীমান্তৰ মাজবাট, উত্তৰ নগাঁৱত জন্মগ্ৰহণ কৰিছিল। পেছাত এগৰাকী শিক্ষক।

শস্য তেজৰ অন্য ঋতু (২০০৫) আৰু সেউজীয়াৰ দৰে (২০১৬) পূৰ্ব প্ৰকাশিত কাব্য সংকলন।

"বন্ধুচাকি উদগনি বঁটা" আৰু "ৰামধেনু কাব্য সাধনা বঁটা"ৰে সন্মানিত শইকীয়ালৈ অসম কাব্য কাননৰ দ্বাৰা আয়োজিত কবিতা পাণ্ডুলিপি প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ পাণ্ডুলিপি-"হালধি বটা আবেলি"ৰ বাবে, ২০২১ বৰ্ষৰ "কাব্যম বঁটা" আগবঢ়োৱা হৈছে।

শইকীয়াৰ তৃতীয় কাব্য সংকলন- "হালধি বটা আবেলি"ক পাঠক সমাজে আদৰি ল'ব বুলি আমি গভীৰ আশাবাদী।

নৱ ৰাজন
সম্পাদক
অসম কাব্য কানন

Cover : Neelabh Sourav